# জকাইচুকৰ পৰা অনাতাঁৰলৈ

○ হেমপ্ৰকাশ মাউত



**সমাজৰ** সৰহখিনি মানুহৰ মনতে হেঁপাহ থাকে যে মিডিয়াৰ মাধ্যমত (বিশেষকৈ ইলেক্ট্ৰনিক মিডিয়া) নিজকে এবাৰ প্ৰতিপন্ন কৰাৰ। ৰেডিঅ' অথবা টেলিভিছনৰ যোগেদি নিজকে এবাৰ শুনাৰ অথবা দেখাৰ। এই হাবিয়াসটো হয়তো কম-বেছি পৰিমাণে এশ শতাংশ মানুহৰে থাকে। সেই সহজাত প্ৰবৃত্তি এই অভাজনৰো হয়তো আছিল। অসমৰ ডিব্ৰুগড় জিলাৰ সীমামূৰীয়া অঞ্চলৰ নৈপৰীয়া অঞ্চলত ঢেঁকীয়া, আলু, কচু, ঔটেঙা খাই ডাঙৰ-দীঘল হোৱা অভাজনৰ মনতো সৰুৰে পৰা ৰেডিঅ'টোৰ প্ৰতি বিশেষ দুৰ্বলতা আছিল। কিতাপ পঢ়া টেবুলত ৰেডিঅ'টো পকাই থকা এটা অভ্যাস আছিল। অৱশ্যে ঘৰখনৰ আন সদস্য, বিশেষকৈ মাৰ গাতো সেই লক্ষণটো বাৰুকৈয়ে বিদ্যমান। ৰেডিঅ' শুনাৰ যোগেদি দেশৰ বিভিন্ন খবৰৰ লগতে মনত আনন্দৰ খোৰাক দিবলৈ সম্প্ৰচাৰ কৰা অনুষ্ঠান নাটক, গল্প পাঠ, বিভিন্ন সংগীত, শিশুসকলৰ অনুষ্ঠান, যুৱক-যুৱতীসকলৰ বাবে প্ৰস্তুত কৰা অনুষ্ঠান ইত্যাদি সঁচাকৈয়ে বৰ প্ৰিয় আছিল। জীৱিকাৰ সন্ধানত বিশেষকৈ অসমীয়াপ্ৰধান বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী লোৱা এই অভাজনে কলা শাখাৰ সম্পূৰ্ণ এটা ওলোটা বিষয় 'কম্পিউটাৰ টেকন'লজী'ৰ এটা এবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবলগীয়া হৈছিল শিৱসাগৰ জিলাৰ এটা প্ৰতিষ্ঠানত চন্দ্ৰ সন্দিকৈ আৰু ৰিতুপৰ্ণ সন্দিকৈৰ তত্ত্বাৱধানত। প্ৰথম অৱস্থাত এই কাম কষ্টকৰ আছিল যদিও পিছলৈ খুব একাগ্ৰতাৰে এই পাঠ্যক্ৰম সুখ্যাতিৰে সম্পূৰ্ণ কৰিছিলোঁ। কৰ্মৰ সন্ধানত আহি পালোঁহি ২০০৪ চনত গুৱাহাটীৰ কটন কলেজৰ অন্তৰ্গত ই ডি চি অৰ্থাৎ উদ্যোগশীলতা বিকাশ কেন্দ্ৰত এটা কম্পিউটাৰ অপাৰেটৰৰ কাম। সম্পূৰ্ণ বিপৰীত পৰিৱেশ। সঁচাই মনটো পুলকিত হৈ পৰিছিল। দৰমহা যিমানেই নহওক কিয়, মোৰ দৰে একেবাৰে গাঁৱৰ পৰা অহা এটা ল'ৰাই কটন কলেজৰ অন্তৰ্গত সেৱা আগবঢ়াবলৈ পালোঁ। এয়া মোৰ বাবে বৰ প্ৰেৰণাৰ কথা। এয়াই হয়তো মোৰ জীৱনৰ টাৰ্নিং পইণ্ট।

যথাসময়ত তথা ২০০৯ চনত ড° অংকুৰণ দত্তৰ তত্ত্বাৱধানত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত অডিঅ' ভিজুৱেল লাৰ্নিং মেটেৰিয়েল্ছ প্ৰকল্প এটাত অডিঅ' আৰু ভিডিঅ' ৰেকৰ্ডিং আৰু এডিটিঙৰ কাম কৰাৰ সুবিধা পাই কটন কলেজৰ পৰা বিশ্ববিদ্যালয়খনলৈ গুচি আহিলোঁ। কটনৰ ই ডি চিত থাকোঁতেই অডিঅ' আৰু ভিডিঅ' ৰেকৰ্ডিং আৰু এডিটিঙৰ কাম শিকাৰ সুবিধাকণ পাওঁ। এইক্ষেত্ৰত মই ই ডি চিৰ সেই সময়ৰ মুখ্য সমন্বয়ক ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ছাৰৰ নাম বিশেষভাৱে কৃতজ্ঞতাৰে ল'বই লাগিব। লগতে মোৰ সহধৰ্মিণী পাহাৰীৰ নামটো নহ'লে আধৰুৱা হ'ব। কাৰণ তেওঁ মোৰ প্ৰত্যেকটো কামতে একাগ্ৰতৰে আগবাঢ়ি যাবলৈ, কষ্টসহিষ্ণু হ'বলৈ প্ৰেৰণা যোগাই আহিছে। সঁচাই ই ডি চিৰ নিয়মানুৱৰ্তিতা লগতে বন্ধুসুলভতাৰে যি এবাৰ মোহত পৰিছে বা তাত কাম কৰাৰ সুযোগ পাইছে, তেওঁ জীৱনত কোনো কামৰ প্ৰতি পিছহুঁহকি নাহে। এই লেখাটোত সেই বিষয়ে কৈ থাকিলে প্ৰকৃত বিষয়ৰ পৰা ফালৰি কাটি অহা হ'ব। গতিকে আহোঁ প্ৰধান কথালৈ।

২০০৯ চনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত পৰীক্ষণভাৱে কমিউনিটী ৰেডিঅ' সেৱা দুদিনীয়াকৈ সম্পন্ন কৰা হৈছিল। ড° দত্ত ছাৰৰ তত্ত্বাৱধানত সেই সময়ত আমি কেইজনমান কৰ্মচাৰী বিশেষকৈ মই, মোৰ বন্ধু নজৰুল, ৰাজেশ শৰ্মা আৰু আমাৰ ভগ্নীপ্ৰতিম বান্ধৱী তথা বিশ্ববিদ্যালয়খনৰ মাছ কমিউনিকেচন বিভাগৰ আৰ টি এ প্ৰিয়ংকা— এইকেইজনে খুব কষ্টসহিষ্ণুতাৰে কমিউনিটী ৰেডিঅ'টোৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহোঁ। প্ৰথম অৱস্থাত বহু কষ্টৰে সপ্তাহটোত এদিনো ছুটী নোলোৱাকৈ পুৱা ৮ বজাৰ পৰা গধূলি পাঁচ-ছয় বজালৈ কাম কৰিব লগা হৈছিল। অডিঅ' ভিজুৱেল লাৰ্নিং মেটেৰিয়েলছৰ ভিতৰত আমি প্ৰস্তুত কৰিছিলোঁ বিশ্ববিদ্যালয়খনে আগবঢ়োৱা স্নাতকোত্তৰ, স্নাতক মহলা, পোষ্ট গ্ৰেজুয়েট ডিপ্ল'মা ক'ৰ্চ, ডিপ্ল'মা আৰু লগতে চাৰ্টিফিকেট ক'ৰ্চসমূহৰ বিষয়সমূহক সামৰি বিভিন্ন পাঠ্য বিষয়। ইয়াৰ সমান্তৰালকৈ কমিউনিটী ৰেডিঅ'টোৰ বাবে সমাজৰ সৰ্বতোপ্ৰকাৰৰ উপকাৰ হোৱাকৈ এই প্ৰকল্পটোৰ জৰিয়তে কৃষি বিভাগ, মীন বিভাগ, পৰিৱেশৰ বিভিন্ন বিষয় ইত্যাদিৰে বহু পাঠ্য বিষয় সামৰি অনুষ্ঠানসমূহ অডিঅ' আৰু অডিঅ'-ভিজুৱেল ৰূপত প্ৰস্তুত কৰা হৈছিল। মাত্ৰ তিনি-চাৰিজন কৰ্মচাৰীৰ ভিতৰতে কেমেৰা চলোৱা, অডিঅ' ৰেকৰ্ডিং কৰা তথা সমান্তৰালকৈ দুয়োটা বিষয়তে এডিটিং কৰি সম্প্ৰচাৰৰ বাবে প্ৰস্তুত কৰা কম কঠোৰ কাম নাছিল। তথাপি আমাৰ আশাশুধীয়া প্ৰচেষ্টাত সকলো হৈ উঠিছিল। এইক্ষেত্ৰত প্ৰকল্পটোত মই, নজৰুল তথা ৰাজেশ শৰ্মা আদি কেইজনমান মাত্ৰ মানুহৰ যোগেদি কেমেৰাৰ কাম, ষ্টীল ফটোগ্ৰাফীৰ কামৰ লগতে এডিটিং কৰি প্ৰায় হাজাৰৰ ওপৰত অডিঅ' অনুষ্ঠান আৰু প্ৰায় ছশৰো অধিক ভিডিঅ'ৰ অনুষ্ঠান প্ৰস্তুত কৰি উলিয়াইছিলোঁ মাত্ৰ চাৰে-তিনি বছৰৰ ভিতৰত।

২০১০ চনৰ ২০ নৱেম্বৰ। সেই দিনটোতে আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কমিউনিটী ৰেডিঅ' 'জ্ঞান তৰংগ'— মুক্ত মন মুক্ত চৰ্চা। প্ৰথম অৱস্থাত ছয়জন অংশকালীন ঘোষক-ঘোষিকা সামৰি ড° দত্ত ছাৰৰ তত্ত্বাৱধানত মই অডিঅ' ৰেকৰ্ডিং আৰু এডিটিং কৰি ৰেডিঅ'টো চলোৱাৰ কাম আৰম্ভ কৰোঁ। নেদেখাজনৰ কৃপাত, বিশ্ববিদ্যালয়খনৰ সকলো উচ্চবৰ্গৰ বিষয়াৰ লগতে সকলো কৰ্মচাৰীয়ে সহায়ৰ হাত আগবঢ়াই আমাক কামত উৎসাহ যোগালে। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে আজিকোপতি আমাৰ 'জ্ঞান তৰংগ' কমিউনিটী ৰেডিঅ'টো খুব ভালদৰে চলি আছে। ২০১১ চনৰ শেষৰ ফালৰ পৰা আজিলৈকে গীতালি কাকতিয়েও ৰেডিঅ'টোৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰে। আন্তঃসাংগঠনিক বিষয়ৰ পৰা প্ৰগ্ৰেম প্ৰস্তুত কৰালৈকে সকলো কামেই তেওঁ নিয়াৰিকৈ কৰে। ভিডিঅ' এডিটিং কামৰ বাবে খুব নীৰৱে কৰ্মসেৱা আগবঢ়াই অহা ৰশ্মি দুৱৰাৰ নাম এইখিনিতে ল'ব খুজিছোঁ। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হীতেশ ডেকা ছাৰ, পঞ্জীয়ক ৰজতবৰণ মহন্ত ছাৰৰ লগতে

মাল্টি মিডিয়া বিভাগটোৰ বৰ্তমান মুৰব্বী তথা শৈক্ষিক ডীন ড° অৰূপজ্যোতি চৌধুৰী ছাৰ— এওঁলোকৰ তত্ত্বাৱধানে আমাক কামৰ প্ৰতি আৰু দুগুণ উৎসাহ দি আহিছে। গতিকে এই চেগতে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। কমিউনিটী ৰেডিঅ'ৰ সম্প্ৰচাৰ ব্যাসাৰ্ধটো যদিও কম, তথাপি ট্ৰেন্সমিটাৰৰ পৰা চাৰিওকাষে এৰিয়েল দূৰত্ব প্ৰায় দহৰ পৰা বাৰ কিলোমিটাৰলৈকে ইয়াৰ সম্প্ৰচাৰ ভালদৰে শুনা পায়। শিশুসকলকে মুখ্য কৰি যুৱক-যুৱতী, মহিলাসকলৰ অনুষ্ঠান, পথৰ কাষৰ দোকানীৰ পৰা বজাৰৰ বিক্ৰেতালৈকে, জুপুৰিৰ পৰা মহানগৰৰ ফ্লেটত বাস কৰা ৰাইজৰ অভাৱ-অভিযোগ তথা তেওঁলোকৰ মাজৰ প্ৰতিভাসমূহ, বৃদ্ধ-বৃদ্ধাসকলৰ অনুষ্ঠান ইত্যাদি সামৰি সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ বাবে আমাৰ 'জ্ঞান তৰংগ'ই কাম কৰি অনুষ্ঠান প্ৰস্তুত কৰি সম্প্ৰচাৰ কৰি আহিছে। ইয়াৰ মাজৰ অনুষ্ঠানে সৰ্বভাৰতীয় পৰ্যায়ৰ বঁটা পাবলৈও সক্ষম হৈছে। উপৰিউক্ত যাত্ৰাটোৰ খতিয়ন এই বাবেই দিব লগা হ'ল যে এখন ভিতৰুৱা গাঁৱৰ পৰা ওলাই আহি এনে এটা অনুষ্ঠানৰ দায়িত্ব পালন কৰি নিজকে ধন্য বুলি ভবা মই আজিৰ সমাজৰ সকলোকে ক'ব খোজোঁ মনত হেঁপাহ থাকিলে, একাগ্ৰতাৰে লাগি থাকিলে মনত পুহি ৰখা কামৰ এশ শতাংশ নহ'লেও বহু অংশই পূৰ্ণ হয়। মোৰ ক্ষেত্ৰত এশ শতাংশই সফল বুলি কওঁ।

জুইশালত বহিহে কমাৰশালত বহিব পাৰি— কথাষাৰ যথোচিত। এটা ৰেডিঅ' অথবা এটা মাল্টি মিডিয়া বিভাগত যিখিনি সমল থাকিব লাগে, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়তো ইয়াৰ ব্যতিক্ৰম নহয়। কমিউনিটী ৰেডিঅ' হ'লেও ৰেডিঅ'ৰ বাবে কেনেদৰে কাম কৰিব লাগে, ইয়াৰ বহিঃবিভাগৰ কামবোৰ, বিশেষকৈ কেনেদৰে মাইক্ৰ'ফোন, কনচল ব্যৱহাৰ কৰা, ৰেকৰ্ডিং কৰা, পাণ্ডুলিপি প্ৰস্তুত কৰা, ধাৰাভাষ্য পাঠ কৰা, এডিটিং কৰা ইত্যাদি কামৰ বাবে থাকিব লগা ষ্টুডিঅ' তথা কম্পিউটাৰত অত্যাধুনিক ছফ্টৱেৰ সকলোখিনিয়ে আছে। মই সদায়ে সকলো শিকাৰুকে আহ্বান জনাই আহিছোঁ যে ল'ৰাৰ পৰা বয়স্কসকললৈকে যিজনৰে ৰেডিঅ'ত কাম শিকাৰ ইচ্ছা আছে, তেওঁলোকে কমিউনিটী ৰেডিঅ'লৈ আহি সেই ইচ্ছা পূৰণ কৰিব পাৰে। আমাৰ সমাজত বহুতো কৰ্তব্যৰত বিষয়া-কৰ্মচাৰীৰ মনতো তেনে কল্পনা থাকে যে ৰেডিঅ'ত কিবা অনুষ্ঠান কৰিব পৰা হ'লে? হয়, মই কওঁ আহক, বাহিৰৰ বহু দেশত কমিউনিটী ৰেডিঅ'ৰ যোগেদি বহু চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী-বিষয়াই সমাজৰ প্ৰতি থকা দায়বদ্ধতা অথবা নিজৰ মনোৰঞ্জনৰ বাবেই হওক স্বেচ্ছাই আহি কমিউনিটী ৰেডিঅ'ত অনুষ্ঠান পৰিৱেশনৰ লগতে সেৱা আগবঢ়াই আহিছে। আমাৰ অসমতো যদি তেনে এটা পৰিৱেশ গঢ়ি তুলিব পাৰোঁ নিশ্চয় নিজৰ লগতে সমাজৰ বহুজনৰে কৃতাৰ্থ হ'ব। কমিউনিটী ৰেডিঅ'ৰ আটাইতকৈ ডাঙৰ সুবিধা হ'ল যে আন ৰেডিঅ', যেনে— অল ইণ্ডিয়া ৰেডিঅ', এ আই আৰ কমাৰ্চিয়েল ৰেডিঅ' অথবা এডুকেচনেল ৰেডিঅ'ৰ দৰে ইয়াত কেইটামান মাত্ৰ বাধ্য-বাধকতাৰ বাহিৰে বহুখিনি নিয়ম শিথিল। আপোনাৰ বাবে অৰ্থাৎ যিজনৰ 'ভইচ' আনৰ কাষলৈ যোৱা নাই, তেওঁৰ বাবে এই কমিউনিটী ৰেডিঅ'ই সুবিধা কৰি দিয়ে। আপুনি প্ৰস্তুত কৰা নাটকৰ পাণ্ডুলিপি, আপোনাৰ কবিতা-গল্প-উপন্যাসে, আপোনাৰ স্ব-মাতটোৱে কেৱল আপোনাকেই আনন্দ বা আত্মসন্তুষ্টি দিয়া নাই, আন বহুজনে ইয়াৰ পৰা নজনা কথা জানিব পাৰিব। গতিকে মোৰ অনুৰোধ আহক, কমিউনিটী ৰেডিঅ'ৰ যোগেদি আপোনাৰ ৰেডিঅ'ত কাম কৰাৰ সপোন বাস্তৱায়িত কৰক।

বৰ্তমানে উত্তৰ-পূৰ্বাঞ্চলত তিনিটাকৈ কমিউনিটী ৰেডিঅ' স্থাপন হৈছে আৰু প্ৰত্যেকেই যথেষ্ট ভালদৰে কাম কৰি আছে। প্ৰথমটো হ'ল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'জ্ঞান তৰংগ', দ্বিতীয়টো হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'ৰেডিঅ' লুইত' আৰু তৃতীয়টো হ'ল ডিব্ৰুগড় জিলাৰ মাইজানত অৱস্থিত 'ৰেডিঅ' ব্ৰহ্মপুত্ৰ'। 'জ্ঞান তৰংগ'— মুক্ত মন মুক্ত চৰ্চা কমিউনিটী ৰেডিঅ'ৰ ঠিকনাটো দিবলৈ বিচাৰিছোঁ— কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, হাইছফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬। এই ঠিকনালৈ আপুনি আহি 'জ্ঞান তৰংগ'ৰ কৰ্মকৰ্তাক লগ ধৰি আপোনাৰ ইচ্ছাৰ বিষয়ে কওক আৰু আপুনিও 'জ্ঞান তৰংগ'ৰ এজন অংশীদাৰ হওক। আপোনাৰ অংশগ্ৰহণে আপোনাৰ লগতে সমাজৰ বহুজনক লাভান্বিত কৰিব। অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ডায়েল কৰক—৮৮১১০-৩৩৩৩৭/৮৮১১০-১৬৪১৫।

ফোন্ ঃ ৮৪৮৬৯-৪১৬১৮